# ভাৰতীয় ক্ৰীড়াক্ষেত্ৰৰ বাবে আশীৰ্বাদ 'টপছ'

টকিঅ' অলিম্পিকত ভাৰতৰ সফলতাৰ পাছতে চৰ্চালৈ আহিছে কেন্দ্ৰীয় চৰকাৰৰ এখন আঁচনিৰ নাম। টাৰ্গেট অলিম্পিক পডিয়াম স্কিম (TOPS) চমুকৈ টপছ নামৰ এই কাৰ্যসূচীয়ে টকিঅ' অলিম্পিকত ভাৰতীয় খেলুৱৈৰ সফলতাত অন্যতম গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিছে। টকিঅ' অলিম্পিকত ভাৰতে সাতটা পদক লাভ কৰিছে। সাতটা পদকৰ ভিতৰত আছে এটা সোণ, দুটা ৰূপ আৰু চাৰিটা ব্ৰঞ্জৰ পদক।

আধুনিক অলিম্পিকৰ ১২৫ বছৰীয়া ইতিহাসত ভাৰতৰ এয়া সৰ্বশ্ৰেষ্ঠ প্ৰদৰ্শন। ইয়াৰ আগতে ২০১২ চনৰ লণ্ডন অলিম্পিকত ছটা পদক অৰ্জন কৰাটো আছিল ভাৰতৰ সৰ্বশ্ৰেষ্ঠ প্ৰদৰ্শন।

অলিম্পিক, পেৰাঅলিম্পিক আৰু আন গুৰুত্বপূৰ্ণ আন্তৰ্জাতিক প্ৰতিযোগিতাত ভাৰতীয় খেলুৱৈয়ে শেহতীয়াকৈ লাভ কৰা উল্লেখযোগ্য সফলতাৰ বাবে বহু ক্ৰীড়া বিশেষজ্ঞই 'টপছ'ক কৃতিত্ব দিছে। লক্ষ্যণীয় যে ২০১৪ চনৰ ছেপ্টেম্বৰ মাহত কেন্দ্ৰীয় ক্ৰীড়া আৰু যুৱ কল্যাণ মন্ত্ৰালয়ে এই আঁচনিখন মুকলি কৰিছিল। পদক অৰ্জনৰ সম্ভাৱনা থকা অলিম্পিক ক্ৰীড়াকেইবিধক বাছনি কৰি খেলুৱৈসকলক উচ্চমানৰ প্ৰশিক্ষণৰ ব্যৱস্থা কৰা, সকলো সা-সুবিধা প্ৰদান কৰাই হৈছে টপছৰ মূল লক্ষ্য। টাৰ্গেট অলিম্পিক পডিয়াম অৰ্থাৎ অলিম্পিকত পদকৰ সংখ্যা বৃদ্ধি কৰিবলৈ যি প্ৰণালীবদ্ধ ব্যৱস্থাৰ প্ৰয়োজন, সেই সকলোখিনি সুবিধা খেলুৱৈসকলক দিয়া হৈছে। ২০১৪ চনত এই আঁচনি কাৰ্যকৰী কৰিলেও ভাৰতে ২০১৬ চনৰ ৰিঅ' অলিম্পিকত আশা কৰা ধৰণে পদক পাবলৈ সমৰ্থ নহ'ল। সেয়ে ২০১৮ চনত টপছৰ কাৰ্য পদ্ধতিলৈ পৰিৱৰ্তন অনা হৈছিল। খেলুৱৈসকলক আৰ্থিক সাহায্য দিয়াৰ লগতে প্ৰয়োজন অনুসৰি বিদেশী প্ৰশিক্ষকৰ তত্ত্বাৱধানত প্ৰশিক্ষণ দিয়া হৈছিল। উল্লেখযোগ্য যে ২০১৮ চনৰ কমনৱেলথ গেমছত পদক জয় কৰা খেলুৱৈৰ ভিতৰত ৪৭ গৰাকী আছিল 'টপছ'ৰ অন্তৰ্ভুক্ত।

এইবাৰ টকিঅ' অলিম্পিকত পদক জয় কৰা খেলুৱৈৰ নামতো ভাৰত চৰকাৰে কোটি কোটি টকা খৰচ কৰিছে।

টাৰ্গেট অলিম্পিক পডিয়াম স্কিমৰ অধীনত ২০১৬ চনৰ ৰিঅ' অলিম্পিকৰ পাছৰ পৰা খেলুৱৈৰ নামত কেন্দ্ৰীয় চৰকাৰে ১,১৭০ কোটি টকা খৰচ কৰিছে। টকিঅ'ত সোণ জয় কৰা জেভলিন থ্ৰ'ৱাৰ নীৰজ চোপ্ৰাৰ প্ৰশিক্ষণত খৰচ হৈছিল সাত কোটি টকা। কিনি দিয়া হৈছিল ৭৭ ডাল জেভলিন। ৪৪ লাখত ক্ৰয় কৰা হৈছিল জেভলিন মেচিন। মীৰাবাঈ চানুৰ প্ৰশিক্ষণৰ বাবদ ২.৫ কোটি, ৰবি দাহিয়া আৰু ভিনেশ ফোগাটৰ নামত ১ কোটি ৩০ লাখ খৰচ কৰা হৈছিল। টকিঅ'ৰ টিকেট লাভ কৰা খেলুৱৈৰ ভিতৰত 'টপছ'ৰ অন্তৰ্ভুক্ত আন ৩২ গৰাকী খেলুৱৈৰ নামত ৪৪ কোটি টকা খৰচ হৈছিল। ৪১ বছৰৰ পাছত অলিম্পিক হকিত পদক জয় কৰা ভাৰতৰ পুৰুষ হকি দলটোও টপছৰ অন্তৰ্ভুক্ত। সেইদৰে টকিঅ'ত চতুৰ্থ স্থান দখলেৰে দেশবাসীৰ হৃদয় জয় কৰা মহিলা হকি দলটোকো টপছৰ অধীনত আৰ্থিক সাহায্য আগবঢ়োৱা হৈছে। 'টপছ'ৰ বাবেই যে খেলুৱৈৰ প্ৰদৰ্শন পূৰ্বৰ তুলনাত উন্নত হৈছে, সেয়া নিঃসন্দেহ।

বৰ্তমান টপছৰ অন্তৰ্গত ক'ৰ গ্ৰুপত ১৩ বিধ খেলৰ ১০৪ গৰাকী আৰু ডেভেলপমেণ্ট গ্ৰুপত মুঠ ১২ বিধ খেলৰ ২৬৯ গৰাকী খেলুৱৈক ৰখা হৈছে। ক'ৰ গ্ৰুপত অসমৰ লাভলীনা বৰগোহাঁই আৰু হিমা দাস আছে। আনহাতে ডেভেলপমেণ্ট গ্ৰুপত আছে অসমৰ তাৰকা বক্সাৰ শিব থাপা, শ্যুটাৰ হৃদয় হাজৰিকা, মহিলা বক্সাৰদ্বয় যমুনা বড়ো আৰু অংকুশিতা বড়ো। লগতে আছে ধনুৰ্বিদ প্ৰমিলা দৈমাৰী।

এই আঁচনিৰ অন্তৰ্ভুক্ত ক'ৰ গ্ৰুপৰ খেলুৱৈয়ে মাহে লাভ কৰে ৫০ হাজাৰ টকাৰ বানচ। আনহাতে ডেভেলপমেণ্ট গ্ৰুপত থকা খেলুৱৈয়ে ২৫ হাজাৰ টকাকৈ লাভ কৰি আহিছে।

২০২৪ আৰু ২০২৮ চনৰ অলিম্পিকত পদকৰ সংখ্যা বৃদ্ধি কৰাৰ লক্ষ্যৰে যোৱা বছৰৰ পৰা জুনিয়ৰ পৰ্যায়ৰ খেলুৱৈকো এই আঁচনিৰ অন্তৰ্ভুক্ত কৰা হৈছে।

২০২৪ চনৰ অলিম্পিকত ভাৰতে আৰু অধিক পদক লাভ কৰিব বুলি আশা কৰা হৈছে।

এইবাৰ টকিঅ' অলিম্পকত সোণৰ পদক জয় কৰা নীৰজ চোপ্ৰাক নিশাটোৰ ভিতৰতে বিভিন্নজনে কোটি টকাৰ পুৰস্কাৰ ঘোষণা কৰিছিল। অলিম্পিকত পদকজয়ী প্ৰথম অসমীয়া খেলুৱৈৰূপে পৰিগণিত লাভলীনা বৰগোহাঁইলৈও চৰকাৰ আৰু বিভিন্ন প্ৰতিষ্ঠানে আৰ্থিক পুৰস্কাৰ আগবঢ়াইছে। অসম চৰকাৰে লাভনীলালৈ এক কোটি টকা আগবঢ়োৱাৰ লগতে ২০২৪ চনৰ পেৰিছ অলিম্পিক পৰ্যন্ত প্ৰতিমাহে এক লাখকৈ টকা দিব বুলি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই ঘোষণা কৰিছে। লাভলীনাৰ নামত সৰুপথাৰত এখন ক্ৰীড়া প্ৰকল্প নিৰ্মাণৰ কথাও ঘোষণা কৰা হৈছে। লাভলীনাৰ ইতিহাস সৃষ্টিকাৰী প্ৰদৰ্শন আৰু চৰকাৰৰ ইতিবাচক পদক্ষেপে ৰাজ্যৰ ক্ৰীড়াক্ষেত্ৰলৈ বৈপ্লৱিক পৰিৱৰ্তন কঢ়িয়াই আনিব বুলি আশা কৰিব পাৰি। ক্ৰীড়াৰ জৰিয়তেও যে কেৰিয়াৰ গঢ়িব পাৰি, লাভলীনাই দেখুৱাই দিলে। ৰাজ্য চৰকাৰৰ সম্বৰ্ধনা অনুষ্ঠানত লাভলীনাই ৰাজ্যখনৰ প্ৰতিগৰাকী অভিভাৱকক খেলৰ প্ৰতি নিজৰ সন্তানক আগবঢ়াই আনিবলৈ আহ্বান জনাইছে। শিশুসকলক উদ্বুদ্ধ কৰি তুলিবলৈ অলিম্পিক ব্ৰঞ্জৰ পদকটো এবাৰ স্পৰ্শ কৰিবলৈ দিব বুলিও লাভলীনাই ঘোষণা কৰিছে।

উল্লেখযোগ্য যে এইবাৰ টকিঅ' অলিম্পিকত জেভলিন থ্ৰ'ত নীৰজে ইতিহাস গঢ়ি অলিম্পিক ট্ৰেক এণ্ড ফিল্ডত ভাৰতক প্ৰথমটো সোণৰ পদক উপহাৰ দিলে। আনহাতে ভাৰোত্তোলনত মীৰাবাঈ চানু আৰু মল্লযুঁজত ৰবি দাহিয়াই ৰূপৰ পদক লাভ কৰে লগতে লাভলীনা, ভাৰতৰ পুৰুষ হকি দলটো, শ্বাটলাৰ পি ভি সিন্ধু আৰু মল্লযুঁজাৰু বজৰং পুনিয়াই ব্ৰঞ্জৰ পদক লাভ কৰে।

**দিগন্ত চহৰীয়া**

ফোন ঃ ৮৭৫৩৯৮২৪৮৯



*টকিঅ'ত সোণ জয় কৰা জেভলিন থ্ৰ'ৱাৰ নীৰজ চোপ্ৰাৰ প্ৰশিক্ষণত খৰচ হৈছিল সাত কোটি টকা। কিনি দিয়া হৈছিল ৭৭ ডাল জেভলিন। ৪৪ লাখত ক্ৰয় কৰা হৈছিল জেভলিন মেচিন। মীৰাবাঈ চানুৰ প্ৰশিক্ষণৰ বাবদ ২.৫ কোটি, ৰবি দাহিয়াৰ নামত ১ কোটি ৩০ লাখ খৰচ কৰা হৈছিল।*



*লাভলীনাৰ ইতিহাস সৃষ্টিকাৰী প্ৰদৰ্শন আৰু চৰকাৰৰ ইতিবাচক পদক্ষেপে ৰাজ্যৰ ক্ৰীড়াক্ষেত্ৰলৈ বৈপ্লৱিক পৰিৱৰ্তন কঢ়িয়াই আনিব বুলি আশা কৰিব পাৰি।*